# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
0000000000

**Date :** 06-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অষ্টলক্ষ্মী মহোৎসৱ মুকলি কৰে। এই উপলক্ষে শ্ৰীমোদীয়ে কয়, যে দেশৰ বিকাশ ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ অপাৰ সম্ভাৱনা আছে। একবিংশ শতিকা ভাৰতসহ পূব এছিয়াৰ দেশসমূহৰ বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে গুৱাহাটী, আগৰতলা, গেংটক, আইজল, শ্বিলং, ইটানগৰ আৰু ক'হিমাৰ দৰে উত্তৰ পূৰ্বাঞ্চলৰ ভালেমান চহৰৰ মহানগৰসমূহৰ দৰে বৃহৎ সম্ভাৱনা আছে। অষ্টলক্ষ্মী মহোৎসৱৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে প্ৰথম আৰু অনন্য মহোৎসৱে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত বিনিয়োগৰ অপাৰ সুযোগ মুকলি কৰিব। তেওঁ লগতে এয়া উত্তৰ পূৰ্বাঞ্চলৰ খেতিয়ক, কাৰুশিল্পী, কলা-কুশলীৰ লগতে সমগ্ৰ বিশ্বৰ বিনিয়োগকাৰীসকলৰ বাবে বৃহৎ সম্ভাৱনা বুলি অভিহিত কৰে। চৰকাৰে উত্তৰ পূৰ্বাঞ্চলক আবেগ, অৰ্থব্যৱস্থা আৰু পৰিস্থিতিতন্ত্ৰৰ সৈতে সংযুক্ত কৰাৰ বাবে কাম কৰি আছে বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। তেওঁ কয় যে অষ্টলক্ষ্মী উত্তৰ পূৰ্বাঞ্চলৰ উজ্জ্বল ভৱিষ্যতৰ উৎসৱ আৰু বিকাশৰ নতুন পুৱাৰ পৰ্ব। এই উৎসৱে বিকশিত ভাৰত অভিযানক আগুৱাই লৈ যাব বুলি তেওঁ আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, সুস্থ জীৱনশৈলী আৰু পৰিপুষ্টি সন্দৰ্ভত ভাৰতে বিশ্বক দিব খোজা সমাধান সূত্ৰৰ ক্ষেত্ৰত  উত্তৰ পূৰ্বাঞ্চলৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক ভাৰতৰ বিকাশ গাথাৰ সৈতে সংযুক্ত কৰাৰ বাবে যথাসম্ভৱ পদক্ষেপ গ্ৰহণ কৰিছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে দিল্লী আৰু উত্তৰ পূৰ্বাঞ্চলৰ জনসাধাৰণৰ মাজৰ ব্যৱধান হ্ৰাস কৰাৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ বাবে পি এম ডিভাইন বিশেষ আন্তঃগাথনি উন্নয়ন আঁচনি আৰু প্ৰাৰম্ভিক পৰ্যায়ত বিনিয়োগৰ বাবে উত্তৰ পূৱ ভেনচাৰ পুঁজিৰ লেখিয়া ভালেমান আঁচনি আৰম্ভ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

আজিৰ উদ্বোধনী অনুষ্ঠানত ডোনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ লগতে উত্তৰ-পূৱৰ আটাইকেইখন ৰাজ্যৰ মুখ্যমন্ত্ৰী উপস্থিত থাকে। তিনিদিনীয়া এই মহোৎসৱত উত্তৰ পূৰ্বাঞ্চলৰ চহকী ঐতিহ্য প্ৰদৰ্শন কৰা হ'ব।

০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই ৮৫ খন নতুন কেন্দ্ৰীয় বিদ্যালয় আৰু ২৮ খন নতুন নৱোদয় বিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত অসমত ৬ খন নতুন কেন্দ্ৰীয় বিদ্যালয় আৰু নৱোদয় বিদ্যালয় স্থাপন কৰা হ'ব। কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এইকথা সদৰি কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে এই নতুন কেন্দ্ৰীয় বিদ্যালয়সমূহ স্থাপনৰ ফলত প্ৰায় ৮২ হাজাৰ ৫৬০ গৰাকী শিক্ষাৰ্থীয়ে বহনসাধ্য উচ্চ মানৰ শিক্ষা লাভ কৰিবলৈ সমৰ্থ হব। এই সিদ্ধান্তৰ ফলত ৫ হাজাৰ ৩৮৮ টা নিয়মীয়া পদ সৃষ্টি হব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

উত্তৰ-পূৱ সীমান্ত ৰেলৱে ৰেলগাড়ীসমূহৰ পথ পৰিৱৰ্তন আৰু এটা পথৰ পৰা আন এটা পথলৈ সুৰক্ষিতভাৱে পাৰ হোৱাৰ বাবে হাইড্ৰাক্ৰেম আৰু বেকহো লোডাৰৰ দৰে যন্ত্ৰ ব্যৱহাৰ কৰা এটা অভিনৱ প্ৰণালী আৰম্ভ কৰিছে। ২৯ নৱেম্বৰত গুৱাহাটীৰ মালিগাওঁস্থিত পাণ্ডু   পৰীক্ষামূলক ভিত্তিত সফলতাৰে সম্পন্ন কৰা এই উদ্ভাৱনে ৰেলপথৰ সুৰক্ষা আৰু তদাৰক সুনিশ্চিত কৰাৰ সহায় কৰিব।

০০০০

নিখিল বড়ো ছাত্ৰ সন্থা এবছুৰ সভাপতি দীপেন বড়ো, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, সাংসদ ৰণগৌড়া নাৰ্জাৰী আৰু জয়ন্ত বসুমতাৰীয়ে আজি নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰে। দলটোৱে কোকৰাঝাৰত হ'বলগীয়া নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক অধিবেশনলৈ শ্ৰীশ্বাহক আমন্ত্ৰণ জনায়। সাক্ষাৎকালত বিটিআৰ চুক্তিৰ বিষয়েও বিশদভাৱে আলোচনা হয় বুলি জানিব পৰা গৈছে। দলটোৱে দিল্লীত এটা পথ বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নামত নামকৰণ কৰাৰ প্ৰস্তাৱ দিয়ে আৰু ষষ্ঠ অনুসূচীৰ ১২৫ সংখ্যক সংশোধনী বিধেয়ক আইনত পৰিণত কৰাৰ দাবী উত্থাপন কৰে। তেওঁলোকে বড়ো চুক্তি অনুসৰি এহেজাৰ ৫০০ কোটি টকাৰ আন্তঃগাথনি নিৰ্মাণৰ প্ৰক্ৰিয়া খৰটকীয়া কৰিবলৈ দাবী জনায়।

০০০০

২ নম্বৰ ৰাষ্ট্ৰীয় জলপথৰ ব্ৰহ্মপুত্ৰ নৈৰ ধুবুৰীৰ পৰা শদিয়ালৈ জলপথ উন্নয়নৰ কাম ৭১ শতাংশৰো অধিক সম্পূৰ্ণ হৈছে। কেন্দ্ৰীয় বন্দৰ জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি লোকসভাত এই কথা সদৰি কৰে। তেওঁ কয়, যে এই প্ৰক্ৰিয়াৰ অংশ হিচাপে বগীবিল মাল পৰিবহন কেন্দ্ৰ নিৰ্মাণ, যোগীঘোপা কেন্দ্ৰৰ নিৰ্মাণ, পাণ্ডু বন্দৰৰ পৰা ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথলৈ পথৰ বিকাশ, পাণ্ডুত জাহাজ মেৰামতিৰ সুবিধা আৰু জলপথ উন্নয়নৰ কাম চলি আছে।

০০০০০

মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে আজি সাংসদ এলেকা উন্নয়ন পুঁজি কেলেংকাৰী গোচৰত কামৰূপ জিলাৰ নিলম্বিত অতিৰিক্ত আয়ুক্ত সুকন্যা বৰাসহ ৩ জনৰ বিৰুদ্ধে বিশেষ ন্যায়াধীশৰ আদালতত বিশেষ অভিযোগনামা দাখিল কৰে। সাংসদ এলেকা উন্নয়ন পুঁজি কেলেংকাৰী গোচৰত নিলম্বিত হোৱা অতিৰিক্ত আয়ুক্ত সুকন্যা বৰাৰ বিৰুদ্ধে আয়ৰ জ্ঞাত উৎসতকৈ অধিক সম্পত্তি আহৰণৰ গোচৰো চলি আছে। অধিক সম্পত্তি আহৰণৰ তথ্যৰ ভিত্তিত তদাৰকী কোষে পূৰ্বতে অভিযুক্ত সুকন্যা বৰাক গ্ৰেপ্তাৰ কৰিছে।

০০০০০

চৰাইদেউ জিলাৰ সোণাৰিত আজিৰ পৰা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ বিধানসভা সমষ্টিভিত্তিক প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। সোণাৰি ৰাজহুৱা খেলপথাৰত আয়োজিত উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে প্ৰতিযোগীসকলক শুভেচ্ছা আৰু অভিনন্দন জনায়। আজিৰ অনুষ্ঠানত খেল মহাৰণৰ অন্তৰ্গত বিভিন্ন ক্ৰীড়া শিতানৰ অংশগ্ৰহণকাৰী খেলুৱৈসকলক শপতবাক্য পাঠ কৰোৱা হয়। ইয়াৰ লগতে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম অৰ্জন কৰা জিলাখনৰ খেলুৱৈ, ক্ৰীড়া সংগঠক আৰু পঞ্চায়তৰ সভাপতিসকলক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত জিলা আয়ুক্ত ডাঃ নেহা য়াদৱ আৰু আৰক্ষী অধীক্ষক সুৰজিৎ সিং পানেছৰ উপস্থিত থাকে।

০০০০০

সমাপ্ত